

৭.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সাধাৰণতে 'জনজাতি' শব্দই একোটা নৃগোষ্ঠী/জনগোষ্ঠীকে বুজায়।

২ নং প্রশ্নৰ উত্তৰ ঃ ২৯ টা জনগোষ্ঠী অনুসূচীত জনজাতি হিচাপে তালিকাভুক্ত হৈছে।

৩ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া সংস্কৃতিলৈ জনজাতীয় সংস্কৃতিৰ বৰঙণি দুটা স্পষ্ট দিশত ভাগ কৰিব পাৰি — ক) সংশ্লেষিত ৰূপত খ) স্বতন্ত্র গোষ্ঠীয় পৰিচয় ৰূপত।

৪ নং প্রশ্নৰ উত্তৰ ঃ নামঘৰৰ গণতান্ত্রিক আদর্শ, স্থাপত্য আৰ্হি আৰু ধর্মীয় অনুষংগৰ লগত জনজাতীয় সমূহীয়া উপসনা স্থলী আৰু ডেকাচাঙৰ সাদৃশ্য আছে।

৫ নং প্রশ্নৰ উত্তৰ ঃ সঞ্জীৱ কুমাৰ বৰকাকতীয়ে বৰগীতৰ সুৰৰ লগত তিৱাসকলৰ লালী-হিলালী গীতৰ সুৰৰ সাদৃশ্য আছে বুলি মত পোষণ কৰিছে।

৬ নং প্রশ্নৰ উত্তৰ ঃ এড়ি আৰু পাট-মুগাৰ ব্যৱহাৰ মংগোলীয় সংস্কৃতিৰ অৱদান।

৭ নং প্রশ্নৰ উত্তৰ ঃ ৰাভাসকলৰ এটা গোত্রৰ তিৰোতাক লৈ এটা 'মাহাৰী' হয়। মাহাৰীৰ অনুমতি অবিহনে কোনো পত্নীহাৰা পুৰুষে দ্বিতীয়া পত্নী গ্রহণ কৰিব নোৱাৰে। নাৰীৰ অধিকাৰ আৰু সুৰক্ষাৰ ক্ষেত্রত মাহাৰীৰ হস্তক্ষেপক সমাজে সহযোগিতা কৰে।

৮ নং প্রশ্নৰ উত্তৰ ঃ গৰা মাৰ, খাম বান্ধ, তিৰা, ৰেপ, গছক আদি।



৭.৮ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক —

ক) অসমৰ ভৈয়াম অনুসূচীত অন্তর্ভুক্ত জনজাতি কেইটা কি কি?

খ) মুৰংঘৰ কোন জনগোষ্ঠীৰ ডেকাচাং?

গ) বিষ্ণুৰাভাৰ মতে 'ব্রহ্মপুত্র' শব্দৰ মূল কি?

চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমীয়া ভাষালৈ জনজাতিসকলৰ বৰঙণি এই শীর্ষক এটা টোকা যুগুত কৰক।

প্রশ্ন ২ ঃ চমুটোকা লিখক —

(ক) অনুসূচীত জনজাতি (খ) অসমৰ জনজাতীয় খাদ্যাভ্যাস

(গ) অসমৰ বসন্ত উৎসৱ (ঘ) মাতৃতান্ত্রিক সমাজ ব্যৱস্থা

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমীয়া ভাষা-সাহিত্যলৈ জনজাতীয় বৰঙণিৰ বিষয়ে এটা প্রবন্ধ যুগুত কৰক।

প্রশ্ন ২ ঃ 'অসমীয়া জাতি'ৰ পৰিচয় দি অসমীয়া সংস্কৃতিৰ জনজাতীয় বৰঙণিৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ ঃ 'বিহু' উৎসৱৰ মাজত আর্য সংস্কৃতি আৰু মংগোলীয় সংস্কৃতিৰ ৰসায়ন ঘটিছে। কথাষাৰ বিচাৰ কৰক।

প্রশ্ন ৪ ঃ অসমীয়া গ্রাম্য সমাজ জীৱনত মাতৃতান্ত্রিক জনজাতীয় সংস্কৃতি প্রভাৱ কি দৰে নিহিত আছে আলোচনা কৰক।

*** ***** ***